# প্ৰেমৰ বিষয়ে দুশাৰীমান

## ভবেশ মিশ্ৰ

প্ৰেমত নপৰোঁ বুলি কোনেও ক'ব নোৱাৰে
সকলোৱে প্ৰেমত পৰে
মানুহৰ কথাতো বাদেই আনকি কৃষ্ণচূড়া ফুলিলে
জালুকবাৰীৰ গধূলিটোও ধুনীয়া ছোৱালীবোৰৰ প্ৰেমত পৰে
অন্ধ ল'ৰাটোৰ প্ৰেমতো উজাৰ খাই পৰে কৰুণকৈ বজা
তাৰ বাঁহীৰ সুৰটো

সকলোৱে প্ৰেমত পৰে
সাগৰক পাবলৈ নৈখনেও খুলি থৈ আহে দেহৰ পোছাক
বৰষুণক পাবলৈ বৈ থাকে গছবোৰ বাটৰ কাষত
বৰষুণক সোধে ঃ
আকৌ কেতিয়াকৈ আহিবা বৰষুণ
আকৌ কেতিয়াকৈ আমি প্ৰেমত পৰিম
কথা পাতি পাতি পাৰ কৰিম ৰাতি
সকলোৱে দেখে বৰষুণৰ সপোন
বৰষুণৰ প্ৰেমত নপৰেনো কোন
নৈ-নিজৰা জোন

প্ৰেমৰ আপাহে পখিলাবোৰক মাতে উৰি ফুৰিবলৈ
ফুলৰ পাহে পাহে
পখিলাবোৰ চৌখিন
চখ কৰিব জানে পখিলাই
চখ কৰিব নাজানে মোৰ মনে

পুৰাই অহা বেলিটোকো চৰাইবোৰে সোধে ঃ
কালি নাহিলা দেখোন
অ' বেলিটো
কাৰ সতে কটালা ৰাতিটো
আন একো নহয়
অচিলা বিচাৰি বেলিটোৰ সতে চৰাইবোৰৰ
এটা সৰু ধেমালি

সকলোৱে প্ৰেমত পৰে
প্ৰেমত পৰাটো সহজ কিন্তু সহজ নহয়
প্ৰেমৰ ভিতৰলৈ সোমাই যোৱাটো

প্ৰেম ইমান শান্ত আৰু নিৰ্জু যে তাক
গোপনে ৰখাটোও কষ্টকৰ

জীৱন প্ৰেমৰ সপোন
প্ৰেম পোহৰৰ গান
জীৱনে জানে কিমান বেদনাৰ শেষত ফুলে হাঁহিৰ ফুল
প্ৰেমেই যদি নাথাকে জীৱনত থাকে কি

নুমাই নোযোৱালৈকে জীৱন
আজীৱন
মানুহৰ দৰে কবিতাও প্ৰেমপৰায়ণ
প্ৰেমত নপৰোঁ বুলি কবিতায়ো ক'ব নোৱাৰে

পোন নহয় প্ৰেমৰ বাট
হেৰায় বাটৰ আঁত
পোনাব লাগে বাট
চাবা চাবা
বৰ পিছল

প্ৰেম চাগৈ এনেকুৱাই
নভবাকৈয়ে আহে
নোকোৱাকৈয়ে যায়
প্ৰেমৰ বৰষুণত তিতিব পাৰি
প্ৰেমত পৰি পঢ়িব পাৰি গধূলিৰ চিঠি

সকলোৱে প্ৰেমত পৰে
ভাল পায় শাওণৰ বৰষুণ
ৰঙাকৈ ফাগুনৰ ফুল
মন খুলি পঢ়ে লাহ দিয়া প্ৰেমৰ কবিতা
ছবি আঁকাত প্ৰেম পটু

ক্ষমিব
পাঠক ডাঙৰীয়া
গতত নুঠা শব্দবোৰেৰে এইটো এটা প্ৰেমৰ কবিতা
পকা নহয়
কেঁচা
প্ৰেমিক কবিৰ হাত।

# পকা আম

## হিতেশ গগৈ

বাৰীৰ গছজোপাৰপৰা
পকা আম এটা পাৰি আনি
টেবুলখনৰ ওপৰত থ'লোঁ
যেন দুপৰীয়া এটা পাৰি আনিলোঁ

ফলৰ ভিতৰত
আত্মমগ্ন এটা বাট আছে
ৰ'দ আছে
শিল্প আছে
মৃত্যু আছে

ভাঁজ লগা প্ৰেমৰ এখন খিৰিকী আছে
ভাবনাৰ খিৰিকী
য'ৰপৰা মৰিশালিখনো দেখি আমৰ

জোনালী বাইদেউৰ মুখৰ ভিতৰৰপৰা
মোক দেখি সি উলটি আহিব খুজিছিল
তাৰ পাছত হেঙুলীয়া হৈ মৰিছিল

মৰাৰ পাছতো আমি পেলনীয়া নহওঁ
আমি ৰঙৰ বাবেই মৰোঁ
পৃথিৱীক সেউজীয়া কৰি তোলোঁ।

**ঠিকনা ঃ**
**হৰেকৃষ্ণ ডেকা**, e-mail : deka78@gmail.com
**শৰৎ লইং**, জিলা উদ্যোগ আৰু বাণিজ্য কেন্দ্ৰ, গোলাঘাট-৭৮৫৬২১, ফোন ঃ ৭০৮৬৮৯৫১০৮
**অৰ্চনা পূজাৰী**, ঘৰ নম্বৰ-২২, বিৰিণা পথ, জনকপুৰ, কাহিলিপাৰা, গুৱাহাটী-৭৮১০১৯, ফোন ঃ ৯৪৩৫০১৪৭০৬
**আত্ৰেয়ী গোস্বামী**, বিবিজান (এছ বি আইৰ কাষত), তিতাবৰ, যোৰহাট-৭৮৫৬৩০, ফোন ঃ ৯১০১৫৩৫৭৭৩
**ভবেশ মিশ্ৰ**, ৰঙাপৰা-৭৮৪৫০৫, শোণিতপুৰ, ফোন ঃ ৯৪৩৫৩৮২২১৬
**হিতেশ গগৈ**, মাটিয়েখনা, চাবুৱা-৭৮৬১৮৪, ফোন ঃ ৬০০১১৩৬৭৩৯